**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-08-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***

***HEADLINES***

000000000

১। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে স্নাতক উত্তীৰ্ণ শিক্ষাৰ্থীসকলক ৰাষ্ট্ৰ প্ৰথম ভাৱনাৰে তেওঁলোকৰ জ্ঞান, দক্ষতা আৰু উদ্ভাৱনী শক্তি ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ২০৪৭ চনৰ ভিতৰত ভাৰতক সম্পূৰ্ণ উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যত উপনীত হ'বলৈ যুৱক-যুৱতী, দৰিদ্ৰ লোক, মহিলা আৰু কৃষকসকলক সবলীকৰণ কৰাটো অতি প্ৰয়োজনীয় বুলি মন্তব্য কৰে।

৩। সমগ্ৰ ৰাষ্ট্ৰই আজি প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ মৃত্যুবাৰ্ষিকী উপলক্ষে নেতাগৰাকীক শ্ৰদ্ধাৰে সুঁৱৰিছে।

৪। ভাৰত আৰু শ্ৰীলংকাৰ মাজত অনুষ্ঠিত দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন খেলৰ দ্বিতীয় দিনৰ শেষত আজি ভাৰতে প্ৰথম ইনিংছত ৯ উইকেটৰ বিনিময়ত ৪৬০ ৰান সংগ্ৰহ কৰে।

আৰু

৫। নেডাৰলেণ্ডছত চলি থকা এফ আই এইছ মহিলাৰ বিশ্বকাপ হকী প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ এখন খেলত ভাৰতে আজি চীনৰ বিৰুদ্ধে ২-২ গ'লত ড্ৰ খেলে।

000000000

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে স্নাতক উত্তীৰ্ণ শিক্ষাৰ্থীসকলক ৰাষ্ট্ৰ প্ৰথম ভাৱনাৰে তেওঁলোকৰ জ্ঞান, দক্ষতা আৰু উদ্ভাৱনী শক্তি ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে। চেন্নাইৰ সমীপৰ কাট্টানকুলাথুৰ অৱস্থিত এছ আৰ এম ইনষ্টিটিউট চায়েন্স টেকন'লজীৰ ২২ সংখ্যক সমাৱৰ্তনত সম্বোধন কৰি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ যাত্ৰাত উপনীত হ'বলৈ ভাৰতৰ যুৱ প্ৰজন্মই এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। শ্ৰীৰাধাকৃষ্ণণে কয় যে ভাৰতে ১০০খনতকৈও অধিক দেশলৈ প্ৰতিষেধক যোগান ধৰিছে, যিয়ে গোলকীয় কল্যাণ আৰু মানৱতাৰ বাবে ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰে। ২০১৪ চনৰ পাছত দেশৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত সম্প্ৰসাৰণত আলোকপাত কৰি তেওঁ কয় যে উচ্চ শিক্ষাত মহিলাসকলৰ অংশগ্ৰহণ বৃদ্ধি হৈছে। তেওঁ কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম প্ৰযুক্তিবিদ্যা, ছেমিকণ্ডাক্টৰ, ৰবটিক্স আৰু জৈৱি প্ৰযুক্তিবিজ্ঞানৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শ্ৰীৰাধাকৃষ্ণণে শিক্ষাৰ্থীসকলক নিচাযুক্ত দ্ৰব্য গ্ৰহণৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনোৱাৰ লগতে নিয়মানুৱৰ্তিতা, উৎকৰ্ষতা বজাই ৰাখিবলৈ আহিবান জনায়। শিক্ষাৰ্থীসকলক তেওঁ সাংবিধানিক প্ৰমূল্যবোধ, বৈচিত্ৰ্যৰ সন্মান আৰু দেশৰ প্ৰগতি, সুৰক্ষা আৰু সমৃদ্ধ কৰিবলৈ আহ্বান জনায়।

000000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ২০৪৭ চনৰ ভিতৰত ভাৰতক সম্পূৰ্ণ উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্যত উপনীত হ'বলৈ যুৱক-যুৱতী, দৰিদ্ৰ লোক, মহিলা আৰু কৃষকসকলক সবলীকৰণ কৰাটো অতি প্ৰয়োজনীয় বুলি মন্তব্য কৰে। তেওঁ কয় যে মোদী চৰকাৰে এই শ্ৰেণীসমূহৰ কল্যাণ আৰু উন্নয়নৰ ক্ষেত্ৰত

বিশেষ গুৰুত্ব প্ৰদান কৰি আহিছে। শ্ৰীশ্বাহে আজি ৰাজস্থানৰ আলবাৰত এটা অনুষ্ঠানত ভাষণ দি এই বিষয়ে প্ৰকাশ কৰে। এই অনুষ্ঠানত তেওঁ ৰাজ্যখনৰ ১৭খন জিলাৰ ৬ হাজাৰ ৪৫৩টা উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰে। তেওঁ কয় যে চৰকাৰে কৃষকসকলৰ কল্যাণৰ বাবে কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয় যে ২০১৪ চনৰ পৰা ২০২৬ চনলৈ মোদী চৰকাৰে কৃষকসকলৰ বাবে কেইবাখনো গুৰুত্বপূৰ্ণ আঁচনি আৰম্ভ কৰাৰ লগতে ন্যূনতম সমৰ্থন মূল্য ধাৰবাহিকভাৱে বৃদ্ধি কৰিছে। শ্ৰীশ্বাহে লগতে দুগ্ধ খণ্ডৰ যোগেদি গ্ৰাম্য অৰ্থনীতি পৰিৱৰ্তন কৰাৰ সম্ভাৱনাৰ কথাও উল্লেখ কৰে। তেওঁ কয় যে ৰাজস্থানৰ বিভিন্ন অঞ্চলৰ ঘৰে ঘৰে যাতে অধিক দুগ্ধ উৎপাদন কৰা উন্নত জাতৰ গাই গৰু আৰু ম'হ উপলব্ধ হয় তাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে মুখ্যমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অধীনৰ ধন পোনপটীয়াকৈ কৃষকসকলৰ বেংক একাউণ্টলৈ স্থানান্তৰ কৰে।

০০০০০০০০০

সমগ্ৰ ৰাষ্ট্ৰই আজি প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ মৃত্যুবাৰ্ষিকী উপলক্ষে নেতাগৰাকীক শ্ৰদ্ধাৰে সুঁৱৰিছে। তিনিবাৰকৈ প্ৰধানমন্ত্ৰীৰ আসন অলংকৃত কৰা অটল বিহাৰী বাজপেয়ীয়ে ২০১৮ চনৰ আজিৰ দিনটোতে শেষনিশ্বাস ত্যাগ কৰিছিল। তেওঁৰ মৃত্যুবাৰ্ষিকী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত থকা প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ সমাধি সদৈৱঃ অটলত পুষ্পাৰ্ঘ্য নিবেদন কৰে।

প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দ, ৰাজ্যসভাৰ উপ-সভাপতি হৰিবংশ, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনেও প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ী প্ৰধানমন্ত্ৰী হোৱাৰ পূৰ্বে দীৰ্ঘ সময় বিৰোধীৰ আসন গ্ৰহণ কৰিছিল। কিন্তু তেওঁ কেতিয়াও নিজৰ নীতি-আদৰ্শৰ সৈতে আপোচ কৰা নাছিল। সেই কাৰণেই বাজপেয়ীক **অজাতশত্ৰু** অৰ্থাৎ কোনো শত্ৰু নথকা ব্যক্তি হিচাপে জনা গৈছিল। ৰাজস্থানৰ চিত্তৰগড় জিলাৰ নিম্বাহেৰা অঞ্চলত এটা অনুষ্ঠানত ভাষণ দি শ্ৰীশ্বাহে এইদৰে কয়। এই অনুষ্ঠানত শ্ৰীশ্বাহে অটল বিহাৰী বাজপেয়ীৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰাৰ লগতে বাজপেয়ীৰ মৃত্যু বাৰ্ষিকী উপলক্ষে কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ো পুন্যতিথি উপলক্ষে প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীক শ্ৰদ্ধাৰে সুঁৱৰিছে। ড০ শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে ৰাষ্ট্ৰ সেৱাৰ প্ৰতি তেওঁৰ অটল নিষ্ঠা, একাগ্ৰতা, দূৰদৰ্শী নেতৃত্ব আৰু গণতান্ত্ৰিক মূল্যবোধে ভাৰতীয় ৰাজনীতিৰ ইতিহাসত অনন্য অধ্যায়ৰ সৃষ্টি কৰিছিল।

০০০০০০০০০

ভাৰতৰ সেনা প্ৰধান জেনেৰেল নীৰজ শেঠে আজি তিনি-দিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে নেপাললৈ ৰাওনা হৈছে। এই ভ্ৰমণৰ উদ্দেশ্য হৈছে ভাৰত আৰু নেপালৰ মাজৰ ঘনিষ্ঠ প্ৰতিৰক্ষা সহযোগিতা আৰু দুয়োখন দেশৰ সেনাৰ মাজৰ সম্পৰ্ক অধিক শক্তিশালী কৰা। কাইলৈ শ্ৰীশেঠে টুণ্ডিখেলস্থিত আৰ্মি পেভিলিয়নত মাল্যাৰ্পণ কৰিব আৰু নেপাল সেনাৰ মুখ্য কাৰ্যালয়ত গাৰ্ড অব অনাৰ সন্মান গ্ৰহণ কৰিব। ইয়াৰ পাছতে তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত সন্মান প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ভাৰত

আৰু নেপালৰ সেনাৰ মাজত থকা পৰম্পৰা অনুসৰি নেপালৰ ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ পৌড়েলে তেওঁক নেপাল সেনাৰ সন্মানীয় জেনেৰেলৰ পদ প্ৰদান কৰিব।

০০০০০০০০০

নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনৰ অমৃত উদ্যান আজিৰে পৰা জনসাধাৰণৰ বাবে মুকলি কৰা হৈছে। ৰাষ্ট্ৰপতি ভৱনৰ বাৰ্ষিক গ্ৰীষ্মকালীন কাৰ্যসূচীৰ অংশ হিচাপে ১৫ ছেপ্তেম্বৰ পৰ্যন্ত এমাহৰ বাবে পুৱা ১০ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ বিনামূলীয়াকৈ এই উদ্যান মুকলি ৰখা হ'ব। অৱশ্যে বিয়লি ৫ বজাৰ পাছত উদ্যানখনত প্ৰৱেশ বন্ধ কৰি দিয়া হ'ব। এই সময়ছোৱাত প্ৰতি সোমবাৰে উদ্যান বন্ধ ৰখা হ'ব। ৰাষ্ট্ৰপতি ভৱনৰ পৰা প্ৰকাশিত বিবৃতি অনুসৰি ২৯ আগষ্টত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস আৰু ৫ ছেপ্তেম্বৰত শিক্ষক দিৱস উপলক্ষে এই দুটা দিনত ক্ৰমে ক্ৰীড়াবিদ আৰু শিক্ষকসকললৈ উদ্যানত বিশেষ প্ৰৱেশৰ সুবিধা প্ৰদান কৰা হ'ব।

০০০০০০০০

ইণ্ডোনেছিয়াত কালি হোৱা ৰিখটাৰ স্কেলত ৭ দশমিক ৭ প্ৰাবল্যৰ ভূমিকম্পৰ ফলত পৰৱৰ্তী ১৪ দিনৰ বাবে আজি বিশেষ সতৰ্কতা জাৰি কৰিছে। দেশখনৰ ইষ্ট নুছা টেংগাৰা প্ৰদেশত কালি পুৱা এই ভূমিকম্প সংঘটিত হৈছিল। প্ৰদেশৰ গৱৰ্ণৰে এই উপলক্ষে অঞ্চলটোত ২৮ আগষ্টলৈকে এই সতৰ্কতা জাৰি কৰিছে। ক্ষতিগ্ৰস্ত অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান চলাই থকা হৈছে। ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা সংস্থাই প্ৰকাশ কৰা অনুসৰি এই ভয়াবহ ভূমিকম্পটোৰ পাছত প্ৰায় ৩৪১টা কম্পন অনুভূত হয়। ভূমিকম্পৰ ফলত ৫১গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ১১৩গৰাকী লোক আহত হয়। ভূমিকম্পটোৰ ফলত অঞ্চলটোত শতাধিক বাসগৃহ ক্ষতিগ্ৰস্ত হয়।

০০০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা – এন টি এয়ে, ইউ জি চি নেটৰ চলিত বৰ্ষৰ জুনত অনুষ্ঠিত পৰীক্ষাৰ ৮৪টা বিষয়ৰ বাবে অস্থায়ী উত্তৰসমূহ ঘোষণা কৰিছে। প্ৰাৰ্থীসকলে ইউ জি চি নেট প'ৰ্টেলৰ জৰিয়তে ১৮ আগষ্টৰ ভিতৰত যিকোনো ভুল উত্তৰৰ ক্ষেত্ৰত আপত্তি দাখিল কৰিব পাৰিব। ইয়াৰ বাবে প্ৰতিটো প্ৰশ্নৰ বিপৰীতে ২০০ টকা মাচুল দিব লাগিব। এন টি এই উল্লেখ কৰা মতে প্ৰাৰ্থীসকলে প্ৰতিটো আপত্তিৰ সমৰ্থনৰ বাবে নথিভুক্ত প্ৰমাণ দিব লাগিব। ইউ জি চিৰ সংশ্লিষ্ট প'ৰ্টেলৰ পৰিৱৰ্তে আন কোনো মাধ্যমৰ জৰিয়তে কৰা আপত্তি গ্ৰহণযোগ্য নহ'ব।

০০০০০০০০০

গুৱাহাটীৰ খানাপাৰাত অনুষ্ঠিত ৮০ সংখ্যক স্বাধীনতা দিৱসৰ কেন্দ্ৰীয় পেৰেড প্ৰদৰ্শন অনুষ্ঠানত ১৫ নম্বৰ বেটেলিয়ন ত্ৰিপুৰা ষ্টেট ৰাইফলছ, টি এছ আৰে প্ৰথম স্থান দখল কৰিছে। ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে এক ভাৰত শ্ৰেষ্ঠ ভাৰত পদক্ষেপৰ অংশ হিচাপে আন্তঃৰাজ্যিক পেৰেড প্ৰদৰ্শনী কাৰ্যসূচীৰ অধীনত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। ত্ৰিপুৰা আৰক্ষীৰ মুখ্য জনসংযোগ বিষয়া ৰাজদ্বীপ দেৱে কয় যে টি এছ আৰ দলটোৱে কুচকাৱাজৰ সময়ত উৎকৃষ্ট দলীয় সমন্বয়ৰ বাবে এই স্থান লাভ কৰিছে।

০০০০০০০০

নেডাৰলেণ্ডছত চলি থকা এফ আই এইছ মহিলাৰ বিশ্বকাপ হকী প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ এখন খেলত ভাৰতে আজি চীনৰ বিৰুদ্ধে ২-২ গ'লত ড্ৰ খেলে। ভাৰতৰ হৈ ৮ মিনিটত নৱনীতে প্ৰথমটো গ'ল

দিয়াৰ লগতে ২৫ মিনিটত দীপিকাই দ্বিতিয়টো গ'ল দিয়ে। ইংলেণ্ড আৰু দক্ষিণ আফ্ৰিকাৰ সৈতে ভাৰত আৰু চীন পুল **ডি**ত আছে। এই গ্ৰুপৰ শীৰ্ষৰ দুটা দলে পৰৱৰ্তী ৰাউণ্ডত প্ৰবেশ কৰিব।

০০০০০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজত অনুষ্ঠিত দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন খেলৰ দ্বিতীয় দিনৰ শেষত আজি ভাৰতে প্ৰথম ইনিংছত ৯ উইকেটৰ বিনিময়ত ৪৬০ ৰান সংগ্ৰহ কৰে। গল আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত দেৱদত্ত পাডিক্কলে শতৰান অৰ্জন কৰে। কে এল ৰাহুলে ৮২ আৰু ধ্ৰুৱ জুৰেলে ৫১ ৰানৰ বৰঙণি আগবঢ়ায়। শ্ৰীলংকাৰ হৈ প্ৰভাত জয়সূৰিয়াই ৪ টা উইকেট দখল কৰাৰ লগতে কেশৰা নুৱান্থাই তিনিটা উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে আজি প্ৰবল বৰষুণৰ বাবে প্ৰথমাৰস্থাত খেলখন বিঘ্নিত হোৱাত ভাৰতে ভোজন বিৰতিৰ পাছত কালিৰ দুই উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২৮৮ ৰানৰ পৰা আজিৰ খেল আৰম্ভ কৰে। ভাৰতে কালি টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল ২৩ আগষ্টত কলম্বোত অনুষ্ঠিত হ'ব।

০০০০০০০০

নতুন দিল্লী ইণ্ডিৰা গান্ধী ষ্টেডিয়ামত কাইলৈৰ পৰা বি ডব্লিউ এফ বেডমিণ্টন বিশ্ব চেম্পিয়নশ্বিপ আৰম্ভ হ'ব। ১৭ বছৰ বিৰতিৰ পাছত ভাৰতে এই প্ৰতিযোগিতাৰ আয়োজন কৰিছে। পি ভি সিন্ধু, লক্ষ্য সেন, আয়ুষ চেট্টী, স্বাত্বিক ছাইৰাজ ৰাণকিৰেড্ডী, চিৰাগ চেট্টী, তৃষা জলী আৰু গায়ত্ৰী গোপীচান্দে ভাৰতীয় প্ৰতিনিধি দলটোক নেতৃত্ব দিব। প্ৰতিযোগিতা আৰম্ভ হোৱাৰ পূৰ্বে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত প্ৰাক্তন বিশ্ব চেম্পিয়ন পি ভি সিন্ধুৱে ভাৰতত অলিম্পিক আয়োজনৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লক্ষ্যক আদৰণি জনায়। সিন্ধুৱে প্ৰথম ৰাউণ্ডত আয়ৰলেণ্ড ছ'ফিয়া নবেলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বিশ্বৰ দ্বিতীয় বাছনিৰ ইণ্ডোনেছিয়াৰ পুৰুষৰ ডাবলছৰ যুটী ফাজাৰ আলফিয়ান আৰু মহম্মদ ফিক্ৰীয়ে কয় যে তেওঁলোকে প্ৰথম বাৰৰ বাবে ভাৰতত উপস্থিত হৈছে আৰু ইয়াৰ পৰিবেশৰ প্ৰশংসা কৰে।

০০০০০০০০০

সমাপ্ত